প্ৰচলিত নাটত সংলাপবোৰো সংগতিপূৰ্ণ; কিন্তু বাস্তৱত আমাৰ মানুহৰ কথাৰ অৰ্থ আছেনে! সেয়ে, ইয়াইহে আমাৰ বাস্তৱ নাটক হ'ব পাৰে। সেয়েহে, এবছাৰ্ড নাট্যকাৰসকলে এইবোৰৰ বিৰুদ্ধে সম্পূৰ্ণ বেলেগ ইংগিতেৰে আগত দি এবছাৰ্ড নাটক ৰচনা কৰিছে।

এবছাৰ্ড নাট্যকাৰসকলৰ মতে, পৃথিৱীত ঘটা ঘটনাবোৰৰ মাজত সংগতি নাই। এই সংগতিহীন পৃথিৱীত বাস কৰা মানুহৰ কামসমূহো সংগতিহীন আৰু অৰ্থহীন। যদি আমি নাটকক বাস্তৱৰ প্ৰতিফলন বুলি ক'ব বিচাৰো; তেন্তে নাটক হ'ব লাগিব বিচ্ছিন্ন, অৰ্থহীন আৰু সংগতিহীন।

এবছাৰ্ড নাট্যকাৰসকলৰ পৃষ্ঠভূমি ভাবধাৰা সম্বন্ধে ক'বলৈ গ'লে প্ৰথম হ'ল দ্বিতীয় মহাযুদ্ধ। দ্বিতীয় মহাযুদ্ধৰ ধ্বংসলীলাই প্ৰমাণ কৰি দিলে যে, মানুহৰ জীৱনৰ কোনো মূল্য নাই; জীৱনক ধ্ৰুৱ কৰিব বিচাৰি কাম কৰিলে কি হ'ব? সাৰ্বিকতে সমগ্ৰ কুৰুক্ষেত্ৰ পৃথিৱীখন এটা বৃত্তত নাইকিয়া হ'ব পাৰে। এটা বৃত্তৰ ভিতৰত মানুহ নিৰ্দিষ্ট সীমা দিব পাৰে। সেয়েহে, এবছাৰ্ড নাট্যকাৰসকলে জীৱন সম্পৰ্কে এটা নিৰাশাবাদৰ ইংগিতহে দিছে। তেওঁলোকৰ মতে, এবছাৰ্ড নাটকত বৈজ্ঞানিক মনোভাৱৰ সকলো কথা নাই; ই মাত্ৰ সত্যহে। তেওঁলোকৰ মতে, জীৱনটো এটা বিচাৰ্য বস্তু।

পিছলৈ অসমতো এইবিধ নাটকৰ প্ৰতিক্ৰিয়াত প্ৰায় পাহৰিলে হ'ল। কাৰণ, ইয়াত জীৱন সম্পৰ্কে নাট্যকাৰসকলে যি দৃষ্টিভংগী গ্ৰহণ কৰিছে, তাক সকলো মানুহে গ্ৰহণ নকৰে। যদি জীৱনটোৱে অৰ্থহীন, তেন্তে মানুহে কিয় কাম কৰিব। জীৱনৰ এটাই উপায় আছে। মৃত্যু নিশ্চিত; তথাপি মানুহে জীৱনটো অৰ্থপূৰ্ণ কৰিব বিচাৰে কামৰ জৰিয়তে। জীৱন সম্পৰ্কে এবছাৰ্ড নাট্যকাৰসকলৰ যি দৃষ্টিভংগী, তাক সম্পূৰ্ণ শুদ্ধ বুলি ক'ব নোৱাৰি। তথাপি, এবছাৰ্ড নাট্যকাৰসকল নৈৰাশ্যবাদী যদিও, তেওঁ নৈৰাশ্য দৃষ্টিভংগীৰে তেনেহলে কনফিউজন লাভ কৰিব নোৱাৰে। আমাৰ মানুহ অন্যানতৰ তাৎত আধ্যাত্মিক; সেয়ে জীৱনটো বিচ্ছিন্ন আৰু অৰ্থহীন বুলি ভাবিব নোৱাৰে। এনেবোৰ কাৰণতে, এবছাৰ্ড নাটকৰ ধাৰাটো অসমত বিজয় আৰু নিৰাশাৰ মাজেৰে মন্থৰ গতি লৈছে।

অসমীয়া সাহিত্যত অৰুণ শৰ্মাৰ 'আহাৰ' নাটকখনে এবছাৰ্ড বা উদ্ভট নাটকৰ কলা-কৌশল বহন কৰা দেখা যায়। এই নাটকৰ চৰিত্ৰসমূহৰ ভিতৰত আছে এজন সাহিত্যিক (কমল), এজন সুবিধাবাদী (নবীন) এজন বিপ্লৱী (বীৰেন) আৰু এজন বুৰ্জোৱা (নলিনী)। নাটকখনৰ কাহিনী তথা উপাদানৰ মাজেদি আধা শক্তি হ'ব হোৱা বিপ্লৱ,

বিজ্ঞানৰ প্ৰগতি, মানুহৰ পৰম্পৰাগত অনুভৱ অৰ্থহীন প্ৰমাণ কৰি দিছে। মানুহৰ আশা-আকাংক্ষা, অস্তিত্ব, প্ৰেম-প্ৰীতি অৰ্থহীন আৰু নিৰাশাই হৈছে নাটকখনৰ প্ৰধান মূল সুৰ।

সাধাৰণতে দেখা যায় যে, এবছাৰ্ড নাটকত জীৱনৰ শূন্যতা, অৰ্থহীনতা, নিঃসংগতা আদি প্ৰতিফলিত হয়। কিন্তু, শূন্য, অৰ্থহীন আৰু উদ্ভট জীৱনৰ কথা আমি ইয়াত কোনো কাৰণে ক্ষমত বাহিৰ হ'ল, বিষাদৰ ছাঁ হ'ল নহয়।

---